জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৬/২০২২

# এগ্ৰ’ফৰেষ্টি এণ্ড বায়’ডাইভাৰচিটি মহাবিদ্যালয়, বেংগল ফ্লৰিকান কনজাৰভেশ্যন, ৰিছাৰ্চ এণ্ড ইক’ট্যুৰিজিম চাইটৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ১০৭ টা অংগনৱাড়ী কেন্দ্ৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## বাণিজ্যিকভাৱে কৃষি উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে কৃষি আয়োগ ঘোষণা কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ জানুৱাৰী ঃ** “ৰাজ্যৰ কৃষকসকলে যাতে বাণিজ্যিকভাৱে কৃষি উৎপাদন কৰিব পাৰে তাৰ বাবে অসম চৰকাৰে এক কৃষি আয়োগ ঘোষণা কৰিব। কৃষি গৱেষকক সামৰি লৈ গঠন কৰিবলগীয়া এই আয়োগে সমগ্ৰ ৰাজ্যখনৰে কৃষকসকলক উপকৃত কৰিব পৰাকৈ বাণিজ্যিকভাৱে কৃষি উৎপাদন বৃদ্ধিৰ দিশত যথোপযুক্ত পৰামৰ্শ আগবঢ়াব।” আজি বাক্সা জিলাৰ ককলাবাৰীৰ নৱ দিহিৰাত এগ্ৰ’ ফৰেষ্টি এণ্ড বায়’ডাইভাৰচিটি মহাবিদ্যালয় আৰু বেংগল ফ্লৰিকান কনজাৰভেশ্যন, ৰিছাৰ্চ এণ্ড ইক’ট্যুৰিজিম চাইটৰ আধাৰশিলা স্থাপন কৰি এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়। উল্লেখ্য যে আজি এই অনুষ্ঠানতে ২০২১-২২ বিত্তীয় বৰ্ষৰ এম জি এনৰেগা পুঁজিৰে নিৰ্মাণ কৰা ১০৭ টা অংগনৱাড়ী কেন্দ্ৰৰো মুখ্যমন্ত্ৰীয়ে শুভ উদ্বোধন কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে ককলাবাৰী কৃষি পামৰ এক ঐতিহাসিক পটভূমি আছে। প্ৰায় ৬ হাজাৰ বিঘা কৃষিভূমি সামৰি লোৱা এই কৃষিপামৰ উন্নয়ন সাধনৰ বাবে বিটিআৰ প্ৰশাসনে পদক্ষেপ গ্ৰহণ কৰিছে। বৰ্তমানৰ ৰাজ্য চৰকাৰে বিটিআৰকে ধৰি ৰাজ্যখনৰ উন্নয়নক এক নতুন দিগন্তলৈ নিয়াৰ পদক্ষেপেৰে ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যৰ জনমূৰি আয় বৃদ্ধিৰ লগতে ৰাজ্যত থকা সম্পদ আৰু সম্ভাৱনাক বিকশাই তোলাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনৰ উপযুক্ত জলবায়ু থকা সত্ত্বেও কৃষি উৎপাদন বৃদ্ধি পাব লাগিছিল যদিও সেয়া সম্ভৱ হোৱা নাই। এতিয়াও প্ৰচুৰ পৰিমাণে খাদ্য সামগ্ৰী অসমে আমদানি কৰিবলগীয়া হৈছে। জাতিটোৰ মেৰুদণ্ড পোন কৰাৰ সময় আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে আবেগিকভাৱে এটা জাতিক আগুৱাই নিব নোৱাৰি। আজি মাঘ বিহুৰ উৰুকাৰ দিনাও আমি বাহিৰৰ খাদ্য সামগ্ৰী ক্ৰয় কৰিবলগীয়া হৈছে। তেওঁ কয় যে স্বাৱলম্বিতাৰ প্ৰথম খোজ হৈছে আধুনিক কৃষিৰ প্ৰতি আমি আকৃষ্ট হ’ব লাগিব।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে কয় যে ককলাবাৰী কৃষি পামৰ এক উজ্জ্বল ভৱিষ্যৎ নিৰ্মাণৰ বাবে ইয়াত এক ৰাষ্ট্ৰীয় অনুষ্ঠান গঢ়ি তোলাৰ বাবে বিটিআৰ চৰকাৰ আৰু অসম চৰকাৰে প্ৰয়াস চলাব। অঞ্চলটোৰ সৰু সৰু নদীৰ গৰাখহনীয়া ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে ভূমি সংৰক্ষণ বিভাগলৈ প্ৰয়োজনীয় পুঁজি যোগান ধৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে অঞ্চলটোৰ জনসাধাৰণে জনাই অহা দাবীসমূহ সহানুভূতিৰে বিবেচনা কৰি পৰ্যায়ক্ৰমে পদক্ষেপ গ্ৰহণ কৰা হ'ব।

বাক্সা জিলাৰ উপায়ুক্তই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা বিধায়ক জয়ন্তমল্ল বৰুৱা, বিধায়কসকল ক্ৰমে জুলেন দৈমাৰী, ভূপেন বড়ো, লৰেঞ্চ ইছলাৰী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বিষয়া-কৰ্মচাৰী, কনজাৰভেশ্যন পাৰ্টনাৰ, বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনৰ সৈতে এক বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ সুদীৰ্ঘ সময়ধৰি সেৱা আগবঢ়াই অহা কেইবাগৰাকীও ফৰেষ্ট গাৰ্ড, ফৰেষ্টাৰ আদিক মানপত্ৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ইক'ট্যুৰিজিম, জীৱিকা, অৰণ্যৰ সংৰক্ষণ আদিৰ দিশত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। ইয়াৰ বাবে এক ৰোড মেপ প্ৰস্তুত কৰা হ'ব বুলিও তেওঁ কয়।

এই বৈঠকত হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা বিধায়ক জয়ন্তমল্ল বৰুৱা, মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক প্ৰমুখ্যে বন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**১৩-১-২০২২**